# ভাৰত আৰু জাপানৰ মাজত যুটীয়া ভাৱে জল বিদ্যুৎ প্ৰকল্প সমুহৰ উন্নয়ন সম্বন্ধে আন্ত-চৰকাৰী চুক্তি ।

এপ্ৰিল ২২,২০১৪

ভূটানৰ ৰাজকীয় চৰকাৰ আৰু ভাৰতীয় গনন্ত্ৰণতৰ মাজত জলবিদ্যুৎ প্ৰকল্প সমুহৰ ,দুয়োদেশৰ চৰকাৰৰ ৰাজহুৱা খণ্ডৰ জৰিয়তে উন্নয়নৰ লক্ষ্যৰে যুটীয়া প্ৰচেষ্টা গ্ৰহন কৰা সন্দৰ্ভত এক গাথনিত ২২ এপ্ৰিল ২০১৪ তাৰিখে থিম্ফুত এখন আন্ত-চৰকাৰী চুক্তি স্বাক্ষৰিত হয় ।চুক্তি খনত ৰাজকীয় ভূটান চৰকাৰৰ হৈ অৰ্থনৈতিক পৰিক্ৰমা মন্ত্ৰনালয়ৰ সচিব শ্ৰী চ'নাম শ্ৰীঙে আৰু ভাৰত চৰকাৰৰ হৈ শক্তি মন্ত্ৰনালয়ৰ সচিব শ্ৰী পি.কে.সিনহাই স্বাক্ষৰ কৰে ।

ভূটানৰ সৈতে এই জলবিদ্যুৎ সহযোগিতা এক সফল সহযোগিতাৰ অন্যতম উদাহৰন ।ইয়াৰ উপৰিও ভাৰতলৈ পৰিস্কাৰ বিদ্যুৎ সৰবৰাহ,ভূটানৰ বাবে আমদানি ৰাজহৰ সৃষ্টি আৰু এই জলবিদ্যুৎ সহযোগিতাৰ জৰিয়তে দুয়োদেশৰ মাজৰ দ্বিপাক্ষীক অৰ্থনৈতিক সম্বন্ধক অধিক সুনিশ্চিত কৰা হৈছে ।মুঠ ১৪১৬ মেগাৱাটৰ তিনিটা জলবিদ্যুৎ প্ৰকল্প(এইচইপিএচ) – ৩৩৬ মেগাৱটৰ চুখা জলবিদ্যুৎ প্ৰকল্প,৬০ মেগাৱাটৰ কুৰিছু জলবিদ্যুৎ প্ৰকল্প আৰু ১০২০ মেগাৱাটৰ টালা জলবিদ্যুৎ প্ৰকল্প ইতিমধ্যে ভূটানত চলিত অৱস্থাত আছে আৰু ভাৰতলৈ বিদ্যুৎ শক্তি যোগান ধৰি আছে ।আনহাতে আন তিনিটা মুঠ ২৯৪০ মেগাৱাটৰ জলবিদ্যুৎ প্ৰকল্প – ১২০০ মেগাৱাটৰ পুনাটচাংচু-১ জলবিদ্যুৎ প্ৰকল্প, ১০২০ মেগাৱাটৰ পুনাটচাংচু-২ জলবিদ্যুৎ প্ৰকল্প আৰু ৭২০ মেগাৱাটৰ মাংদেহচু জলবিদ্যুৎ প্ৰকল্প বৰ্তমান নিৰ্মীয়মান অৱস্থাত আছে আৰু ২০১৮ চনৰ ভিতৰত ইয়াক কাৰ্য্যকৰী কৰা হব ।

উপৰোক্ত আন্ত-চৰকাৰী চুক্তিয়ে মুঠ চাৰিটা ২০১২ মেগাৱাটৰ কাৰ্য্যকাৰিতা, প্ৰযুক্তি-আৰ্থনৈতিক বাস্তৱিকতাকে সামৰি দুয়োদেশৰ ৰাজহুৱা খণ্ডৰ এক যুটীয়া প্ৰচেষ্টাৰ মডেলৰ ডিপিআৰ সমূহ প্ৰস্তুত্তিৰ আনুষ্ঠানিক প্ৰক্ৰিয়াৰ মাজেৰে বিষয়টো সমাপন কৰিব পৰা বিষয়সমূহৰ গাথনিয়ে তলত দিয়া ধৰনে আগবঢ়াব –

| জলবিদ্যুৎ প্ৰকল্প সমূহৰ নাম আৰু ক্ষমতা | যুটীয়া প্ৰচেষ্টাৰ অংশীদাৰিত্ব |
|---|---|
| ৬০০ মেগাৱাটৰ খুলংচু জলবিদ্যুৎ প্ৰকল্প - | এচজেভিএন লিমিটেড অৱ ইন্ডিয়া আৰু ড্ৰাক গ্ৰীণ পাৱাৰ কোৰপোৰেশ্বন (ডিজিপিচি)অৱ ভূটান । |
| ১৮০ মেগাৱাটাৰ বুনাখা জলবিদ্যুৎ প্ৰকল্প - (টালা,ছুখা আৰু ৱাঙচু জলবিদ্যুৎ প্ৰকল্পৰ পৰা নামনিৰ নদী অংশত ২৩০ মেগাৱাটৰ লাভ) | টিএইচডিচি লিমিটেড অৱ ইন্ডিয়া আৰু(ডিজিপিচি)অৱ ভূটান । |
| ৫৭০ মেগাৱাটাৰ ৱাংচু জলবিদ্যুৎ প্ৰকল্প - | এচজেভিএন লিমিটেড অৱ ইন্ডিয়া আৰু ড্ৰাক গ্ৰীন পাৱাৰ কোৰপোৰেশ্বন(ডিজিপিচি)অৱ ভূটান। |
| ৭৭০ মেগাৱাটৰ ছামকাৰছু জল বিদ্যুৎ প্ৰকল্প - | এনএইচপিচি লিমিটেড অৱ ইন্ডিয়া আৰু ড্ৰাক গ্ৰীন পাৱাৰ কোৰপোৰেশ্বন (ডিজিপিচি) অৱ ভূটান । |

উপৰোক্ত আন্ত-চৰকাৰী চুক্তি থনৰ স্বাক্ষৰতাই উক্ত প্ৰকল্প সমূহ কাৰ্য্যকৰী কৰাত সহায়ক হোৱাৰ উপৰিও দুয়োদেশৰ জলবিদ্যুৎ শক্তি সহযোগিতা মজবুত কৰাৰ লগতে আমাৰ ভূটানৰ সৈতে থকা কৌশলগত অংশীদাৰিত্বক শক্তিশালী কৰি তুলিব ।

নতুন দিল্লী

এপ্রিল ২২,২০১৪